**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-05-2025 **Time :** 1720 Hrs.

***Assamese Evening Bulletin***

১। পাকিস্তানত সন্ত্ৰাসবাদী সুৰক্ষিতভাৱে লুকাই থাকিব পৰাকৈ এতিয়া কোনো অঞ্চল নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ অভূতপূৰ্ব সাফল্য। এই বিজয়ৰ বাবে মুখ্যমন্ত্ৰীৰ দলীয় কৰ্মীক অভিনন্দন।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল ঘোষণা।

৪। ৰাজ্যৰ ২৩ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত।

**আৰু**

৫। সপ্তাহজোৰা বিৰতিৰ পাছত অহা ১৭ মে'ৰ পৰা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ পুনৰ আৰম্ভ।

oooooo

পাকিস্তানত সন্ত্ৰাসবাদী শান্তিৰে আৰু সুৰক্ষিতভাৱে লুকাই থাকিব পৰাকৈ এতিয়া কোনো অঞ্চল নাই বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। পঞ্জাবৰ আদমপুৰত বায়ুসেনাৰ চাউনীত উপস্থিত হৈ সেনা জোৱানসকলৰ সৈতে মত বিনিময় কৰি শ্ৰী মোদীয়ে এই কথা দৃঢ়তাৰে প্ৰকাশ কৰে। অপাৰেচন সিন্দূৰ অভিযানৰ সাফল্যৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতে পাকিস্তানৰ ৯টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰাৰ লগতে শতাধিক সন্ত্ৰাসবাদীক নিহত কৰিছে। দেশখনৰ সন্ত্ৰাসবাদী সংগঠনৰ সদস্যসকলৰ বাবে নিৰ্ভৰযোগ্য পাকিস্তানী সেনা বাহিনীক ভাৰতীয় সুৰক্ষা বাহিনীয়ে পৰাস্ত কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে নিৰিহ লোকৰ ৰক্তক্ষয়ৰ এটাই পৰিণাম হ'ব পাৰে আৰু এয়া হৈছে - ধ্বংস আৰু সমূলি বিনাশ। শ্ৰী মোদীয়ে পাকিস্তানৰ বিৰুদ্ধে এই সংঘৰ্ষৰ সময়ত সুৰক্ষা বাহিনীয়ে দেখুওৱা অদম্য সাহস আৰু পেছাদাৰী মনোভাৱক প্ৰশংসা কৰে।

বাইট

তেওঁ কয়, যে অপাৰেচন সিন্দূৰে দেশবাসীৰ মনোবল বৃদ্ধি কৰাৰ লগতে সমগ্ৰ দেশক একতাৰ বান্ধোনেৰে শক্তিশালী কৰিছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীয়ে ইয়াৰ দ্বাৰা ভাৰতৰ গৌৰৱ অভূতপূৰ্ব, অকল্পনীয় আৰু অভিনৱ ৰূপত শিখৰলৈ লৈ গৈছে। বায়ুসেনা বাহিনীয়ে পাকিস্তানৰ অভ্যন্তৰত প্ৰৱেশ কৰি সন্ত্ৰাসবাদীৰ ঘাটিসমূহ ২০-২৫ মিনিটৰ ভিতৰতে নিশ্চিহ্ন কৰাৰ কথাটোৱে পেছাদাৰী মনোভাৱ আৰু আধুনিক প্ৰযুক্তিৰ দ্বাৰা সমৃদ্ধ হোৱাটোকে সূচাইছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

ooooooo

জম্মু-কাশ্মীৰ সম্পৰ্কীয় যিকোনো বিষয়ত ভাৰত আৰু পাকিস্তানে দ্বিপাক্ষিক আলোচনা কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে প্ৰকাশ কৰিছে। আজি এখন সংবাদমেলত মুখপাত্ৰগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই ক্ষেত্ৰত ভাৰতৰ নীতি অপৰিৱৰ্তিত হৈ আছে। সিন্ধু জলচুক্তিখন স্থগিত ৰখা হৈছে বুলিও মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে সদিচ্ছা আৰু মৈত্ৰীৰ চিনস্বৰূপে এই চুক্তি কৰিছিল যদিও কেইবা দশকজুৰি দেশখনে সীমান্তৰ সিপাৰৰ পৰা চলাই থকা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে এই চুক্তি স্থগিত ৰাখিবলৈ ভাৰত বাধ্য হৈছে। তেওঁ কয়, যে পাকিস্তানী পক্ষই দিয়া বিবৃতি সমূহেৰে দেশখনে নিজক আঁভুৱা ভাৰিছে। বৃহৎসংখ্যক উগ্ৰপন্থীক প্ৰশ্ৰয় দিয়া এখন দেশে ইয়াৰ পৰিণাম ভুগিব লগাটো নিশ্চিত বুলিও তেওঁ উল্লেখ কৰে। ভাৰতে দেশখনত থকা সন্ত্ৰাসবাদী ঘাটিসমূহ ধ্বংস কৰি কেৱল ভাৰতীয় লোককে নহয়, বিশ্বৰ বিভিন্ন প্ৰান্তৰ নিৰ্দোষী লোকৰ জীৱন ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে বুলি তেওঁ উল্লেখ কৰে।

ooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে যোৱা ৯ মে'ৰ পৰা বাতৰি বুলেটিনৰ সংশোধিত সময়সূচী কাইলৈৰ পুৱাৰ পৰা পুনৰ স্বাভাৱিক কৰা হ'ব। পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা **অপাৰেচন সিন্দূৰ** আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আকাশবাণীয়ে ইয়াৰ প্ৰতিঘণ্টাই প্ৰচাৰিত হিন্দী আৰু ইংৰাজী বাতৰিৰ সময়সূচী ৫ মিনিটৰ পৰা ১০ মিনিটলৈ বৃদ্ধি কৰিছিল। সেই অনুসৰি আকাশবাণী গুৱাহাটীৰ পৰা প্ৰচাৰিত আঞ্চলিক বাতৰিৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছিল। কাইলৈৰ পৰা পুৱাৰ আঞ্চলিক বাতৰি পূৰ্বৰ সময় ৯ বজাত আৰু নিশাৰ আঞ্চলিক বাতৰি নিৰ্ধাৰিত সময় ৯ বাজি ২৫ মিনিটতেই প্ৰচাৰিত হ'ব। দিনৰ ১১ বজা, বিয়লি ৩ বজা আৰু নিশা ৮ বজাৰ মুখ্য বাতৰিও সেইদিনাৰ পৰা নিয়মীয়া সময় অনুসৰি প্ৰচাৰিত হ'ব।

০০০০০০০

———কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ছাত্ৰীয়ে পুনৰবাৰ ছাত্ৰৰ তুলনাত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এইবাৰৰ পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯১ শতাংশ। এয়া ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ৫ দশমিক ৯-৪ শতাংশ অধিক। আনহাতে তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হৈছে ১০০ শতাংশ। এই বছৰ মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৮৮ দশমিক ৩-৯ শতাংশ, যিটো যোৱা বছৰৰ তুলনাত দশমিক ৪-১ শতাংশ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ১৬ লাখ ৯২ হাজাৰ ৭৯৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৯৩ দশমিক ৬-৬ শতাংশ। দশম শ্ৰেণীৰ পৰীক্ষাতো ৯৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ছাত্ৰৰ তুলনাত ২ দশমিক ৩-৭ শতাংশ অধিক হৈছে। এই বছৰৰ দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ ২৩ লাখ ৭১ হাজাৰ ৯৩৯ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ফলাফলসমূহ চিবিএছইৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল প্লেটফৰ্মত উপলব্ধ হৈছে।

০০০০০০

পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে অভূতপূৰ্ব সাফল্য লাভ কৰিবলৈ সমৰ্থ হৈছে। নিৰ্বাচন আয়োগে এতিয়ালৈকে পঞ্চায়ত নিৰ্বাচনৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই যদিও জিলা আয়ুক্তসকলে প্ৰকাশ কৰা তথ্য অনুসৰি এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত বিজেপি আৰু মিত্ৰদলসমূহে জিলা পৰিষদৰ মুঠ ৩৯৭ খন আসনৰ ৩০০ খনত জয়লাভ কৰাৰ লগতে আঞ্চলিক পঞ্চায়তৰ ২ হাজাৰ ১৯২ খন আসনৰ এহেজাৰ ৪৩৬ খনত জয়লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বশিষ্ঠ চাৰিআলিৰ অটল বিহাৰী বাজপেয়ী ভৱনত এখন সংবাদমেলত এই বৃহৎ জয়ৰ বাবে সকলোকে ধন্যবাদ জনায়। পঞ্চায়ত নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটে আশানুৰূপ ফলাফল লাভ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ এই আস্থা আৰু বিশ্বাস ২০২৬ চনৰ নিৰ্বাচনতো প্ৰতিফলিত হ'ব বুলি আশা প্ৰকাশ কৰে।

**বাইট (চি এম)**

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **সবকা সাথ সবকা বিকাশ** নীতিৰ বাবে পঞ্চায়ত নিৰ্বাচনত এনে বৃহৎ সফলতা লাভ কৰাটো সম্ভৱ হ'ল। অনাগত দিনত অসমত গ্ৰামোন্নয়নৰ বিকাশৰ জয়যাত্ৰাই বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত বিশেষ অৰিহণা যোগাব বুলি শ্ৰীসোণোৱালে আশা ব্যক্ত কৰে।

পঞ্চায়ত নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত এ আই ইউ ডি এফে আজি হাটশিঙিমাৰীত এখন সংবাদমেলৰ আয়োজন কৰে। দলটোৰ কেন্দ্ৰীয় উপ-সভাপতি তথা মানকাচৰৰ বিধায়ক আমিনুল ইছলামে মানকাচৰকে ধৰি ধুবুৰী লোকসভা সমষ্টিত এ আই ইউ ডি এফে লাভ কৰা আসনৰ সংখ্যা কম যদিও পূৰ্বৰ তুলনাত ভোটৰ সংখ্যা বৃদ্ধি পাইছে বুলি দাবী কৰে। তেওঁ লগতে ফেকামাৰী জিলা পৰিষদত এ আই ইউ ডি এফ সমৰ্থিত প্ৰাৰ্থী ৰাহিদুৰ ৰহমান জয়লাভ কৰাৰ কথা প্ৰকাশ কৰে।

০০০০০০০

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ২৩ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি ডিব্ৰুগড়ত সৰ্বাধিক ১১ খন, হাইলাকান্দিত দুখন, বিশ্বনাথ, কাছাৰ, চৰাইদেউ, দৰং, গোলাঘাট, কাৰ্বি আংলং, লখিমপুৰ, শিৱসাগৰ, শোণিতপুৰ আৰু তিনিচুকীয়াত এখনকৈ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে। উল্লেখযোগ্য যে পূৰ্বতে চাহ বাগিচা অঞ্চলসমূহত দশম শ্ৰেণী পৰ্যন্তহে অধ্যয়নৰ ব্যৱস্থা আছিল যদিও ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এই হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰে। চলিত শিক্ষাবৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়সমূহৰ কলা শাখাত নামভৰ্তি কৰিব পাৰিব বুলি শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ইপিনে, চলিত বৰ্ষৰ পৰাই ৰাজ্যৰ ১০ খন আদৰ্শ মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে কালি এই কথা প্ৰকাশ কৰে। এই অনুসৰি ২০২৫-২৬ শৈক্ষিক বৰ্ষত হাইলাকান্দি আদৰ্শ মহাবিদ্যালয়, ওদালগুৰি হৰিশিঙাৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চিৰাং, মাজুলী, শোণিতপুৰৰ বৰছলা, মঙলদৈ, গোলকগঞ্জ, ধুবুৰীৰ মাজৰ আলগা, লাহৰিঘাট আৰু চামগুৰিৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব। শিক্ষাৰ্থীসকলে এই মহাবিদ্যালয়সমূহত পাঁচটা বিষয়ত অধ্যয়নৰ সুযোগ লাভ কৰিব। এই অনুসৰি হাইলাকান্দিত ইংৰাজী, বঙালী, হিন্দী, ভূগোল আৰু সমাজতত্ত্ব বিষয়ত নামভৰ্তিৰ সুবিধা থাকিব। একেদৰে চিৰাঙত ইংৰাজী, অসমীয়া, বড়ো, গণ সংযোগ আৰু ভূগোল বিষয়ত পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। মাজুলীত ইংৰাজী, অসমীয়া, মনোবিজ্ঞান, গণসংযোগ আৰু ভূগোল বিষয় সন্নিবিষ্ট কৰা হৈছে। বাকী মহাবিদ্যালয়সমূহতো এনেধৰণৰ পাঁচটা বিষয়ত পাঠদানৰ সুবিধা থাকিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

অপাৰেচন সিন্দুৰৰ সফলতাৰ পাছত বিজেপিয়ে আজিৰেপৰা দেশজুৰি **১১** দিনীয়া ত্ৰিৰংগ যাত্ৰাৰ আয়োজন কৰিছে। চৰকাৰৰ দৃঢ় নেতৃত্ব আৰু সশস্ত্ৰ বাহিনীৰ বীৰত্বৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰচাৰৰ অংশ হিচাপে বিজেপিয়ে এই ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰিছে । অসমৰ বিভিন্ন ঠাইত আজি ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন শ্ৰেণীৰ ৰাইজে স্বতঃস্ফূৰ্তভাৱে শোভাযাত্ৰা উলিয়ায়। অসম প্ৰদেশ বিজেপিয়ে কাইলৈৰ পৰা ৰাজ্যখনৰ বিভিন্ন স্থানত এই ত্ৰিৰংগ যাত্ৰা উলিয়াব। অহা ২৩ মে লৈ হ'বলগীয়া এই অভিযানত সমাজৰ বিশিষ্ট ব্যক্তি,প্ৰাক্তন সেনা আৰু সমাজকৰ্মীসকলেও ভাগ ল'ব ।

০০০০০

যোৱানিশা আৰু আজি গুৱাহাটী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত গাজনি-ঢেৰেকনিৰে অহা কেইবাজাকো বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ ভালেমান দ অঞ্চল প্লাৱিত হয়। মহানগৰীৰ ভিতৰৰ অঞ্চলসমূহৰ পানী আবেলিৰ ভাগলৈ শুকাবলৈ ধৰে যদিও মেঘালয়ৰ পৰা নামি অহা পানীৰ ঢলে খানাপাৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু অংশ প্লাৱিত কৰাত যান-বাহনৰ চলাচল বাধাগ্ৰস্ত হয়। গধুৰ যান-বাহনসমূহ এই পথেৰে চলাচল কৰি থাকে যদিও সৰু যান-বাহনৰ চলাচল পানী আৰু বোকাৰ বাবে বন্ধ হৈ পৰে। এই বাতৰি লিখাৰ পৰলৈকে খানাপাৰাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত থকা পানী এতিয়াও সম্পূৰ্ণকৈ শুকুওৱা নাই।

আনহাতে, হোজাই জিলাত আজি দুপৰীয়াৰ ভাগত অহা প্ৰচণ্ড ধুমুহা-বৰষুণৰ ফলত বিস্তৰ ক্ষতি হয়। ধুমুহাত পথৰ ওপৰত গছ বাগৰি পৰাৰ বাবে বহু সময় ধৰি যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ উপৰি বিদ্যুৎ পৰিবাহী তাঁৰ চিগি যোৱাত বিদ্যুৎ সেৱাও ব্যাহত হৈ পৰে।

০০০০০০০

অসম ডাউনটাউন বিশ্ববিদ্যালয়ত আজি অসমৰ প্ৰখ্যাত প্ৰকাশক পাঠ্যপুথি প্ৰণেতা আৰু শংকৰী সাহিত্যিৰ গৱেষক, সম্পাদক হৰিনাৰায়ণ দত্ত বৰুৱা সম্পাদিত আৰু প্ৰকাশিত **বৰগীত**ৰ হীৰকজয়ন্তী উপলক্ষে স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হয়। **বৰগীতৰ সাংগীতিক পৰম্পৰা** শীৰ্ষক বক্তৃতা অনুষ্ঠানত অংশ লৈ প্ৰবীন সংগীতজ্ঞ আৰু গৱেষক ড০ পবিত্ৰ প্ৰাণ গোস্বামীয়ে কয়, যে মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টি বৰগীত আৰু অংকীয়া নাটত ব্যৱহৃত সকলো গীতকে সামৰি লৈ হৰিনাৰায়ণ দত্ত বৰুৱাই সম্পাদনা কৰা

**বৰগীতে** অসমীয়া সংগীতৰ এটা সুকীয়া ধাৰাৰ সৃষ্টি কৰিছে। অনুষ্ঠানত অসম ডাউনটাউন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নাৰায়ণ চন্দ্ৰ তালুকদাৰে উদ্বোধনী ভাষণ প্ৰদান কৰি হৰিনাৰায়ণ দত্ত বৰুৱাৰ জ্ঞান, স্পৃহা তথা দাৰ্শনিক দিশৰ কথা আলোচনা কৰা হয়। এই অনুষ্ঠানতে অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই **হৰিনাৰায়ণ দত্ত বৰুৱা ঃ জীৱন আৰু কৃতি** শীৰ্ষক এটা প্ৰবন্ধ সংকলন উন্মোচন কৰে। চলচ্চিত্ৰ বিষয়ক গৱেষক আৰু চিত্ৰনিৰ্মাতা পাৰ্থজিৎ বৰুৱাই **হৰিনাৰায়ণ** নামৰ তথ্যচিত্ৰৰ প্ৰথম প্ৰদৰ্শনী উন্মোচন কৰে। সভাত বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলাৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলে বৰগীত আৰু ভোৰতাল নৃত্য পৰিৱেশন কৰে।

০০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত বৃদ্ধি পোৱা উত্তেজনাৰ বাবে এসপ্তাহজোৰা বিৰতিৰ পাছত চলিত মাহৰ ১৭ তাৰিখৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ২০২৫ পুনৰ আৰম্ভ হ'ব বুলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে ঘোষণা কৰিছে। উল্লেখযোগ্য যে ভাৰতে অপাৰেচন সিন্দুৰ আৰম্ভ কৰাৰ পাছত ৯ মে'ত আই পি এলৰ সকলো মেচ স্থগিত ৰখা হৈছিল। ১৭ মে'ত আই পি এল পুনৰ আৰম্ভ হোৱাৰ পাছত বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। অৱশ্যে মোহালী অথবা ধৰমশালাত কোনো মেচ অনুষ্ঠিত নহয় । পূৰ্বে আহমেদাবাদত হ'বলগীয়া মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ খেলখন অহা ২৬ মে'ত জয়পুৰৰ এছ এম এছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

**সমাপ্ত**